বান্দাসকলে প্ৰভাতত উপনীত হোৱা প্ৰতিটো দিনতে পুৱাৰ ভাগত দুজন ফিৰিস্তা অৱতীৰ্ণ হয়। তাৰে এজনে কয়ঃ হে আল্লাহ! দানকাৰীক ইয়াৰ উত্তম প্ৰতিদান দিয়া, দ্বিতীয়জনে কয়ঃ হে আল্লাহ! কৃপণৰ সম্পদ ধ্বংস কৰি দিয়া।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "বান্দাসকলে প্ৰভাতত উপনীত হোৱা প্ৰতিটো দিনতে পুৱাৰ ভাগত দুজন ফিৰিস্তা অৱতীৰ্ণ হয়। তাৰে এজনে কয়ঃ হে আল্লাহ! দানকাৰীক ইয়াৰ উত্তম প্ৰতিদান দিয়া,
দ্বিতীয়জনে কয়ঃ হে আল্লাহ! কৃপণৰ সম্পদ ধ্বংস কৰি দিয়া।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে, দৈনিক পুৱাৰ ভাগত দুজন ফিৰিস্তা অৱতৰণ কৰে, আৰু তেওঁলোকে এই বুলি দুআ কৰে। এজনে কয়ঃ হে আল্লাহ! যিয়ে সৎপথত ব্যয় কৰে, পৰিয়ালবৰ্গ আৰু অতিথি আপ্যায়নত ব্যয় কৰে, লগতে দান খয়ৰাত কৰে, তাক তুমি উত্তম প্ৰতিদান দিয়া আৰু তাৰ সম্পদত বৰকত দিয়া। দ্বিতীয়জনে কয়ঃ হে আল্লাহ! যিয়ে কৃপণালি কৰি সম্পদ ধৰি ৰাখে, তথা হিতাধিকাৰীক নিদিয়ে, তাৰ সম্পদ ধ্বংস কৰি দিয়া।

http://www.sunnah.global/hadeeth/as/show/3379